ঘূৰি আহিব নোৱাৰে। দৰাচলতে, বহনকাৰীৰ ক্ৰয়ৰ বাবে সৃষ্টি কৰা বেনামী বিটকইন ঠিকনা প্ৰতিটো লেনদেনৰ সৈতে সলনি হয়। ইয়াৰ অৰ্থ এইটো নহয় যে বিটকইন লেনদেনবোৰ সঁচাকৈয়ে বেনামী।

(৮) বিটকইন লেনদেন প্ৰক্ৰিয়াটোত সম্পূৰ্ণৰূপে পিয়েৰ-টু-পিয়েৰ, অৰ্থাৎ ব্যৱহাৰকাৰীসকলে কোনো বাহ্যিক উৎস বা কৰ্তৃপক্ষৰ অনুমোদনৰ প্ৰয়োজন নোহোৱাকৈ সমগ্ৰ বিশ্বৰ নেটৱৰ্কৰ যিকোনো লোকলৈ বা তাৰ পৰা বিটকইন প্ৰেৰণ আৰু পাবলৈ সক্ষম হয়।

## বিটকইন লেনদেনৰ অসুবিধাবোৰ কি?

বিটকইন লেনদেনৰ ক্ষেত্ৰত বহুত সুবিধা যেনেকৈ আছে, তেনেকৈ বহুত অসুবিধাও আছে। সেয়া হ'ল—

(১) যিহেতু কোনো দেশ বা কেন্দ্ৰীয় বেংকৰ মান্যতা বা বৈধতা নাই, ই অবৈধ ব্যৱসায় আৰু ড্ৰাগছৰ লেনদেনৰ এটা মাধ্যম হৈ পৰিছে।

(২) ইয়াক সহজে ধন ৰপ্তানিত ব্যৱহাৰ কৰিব পাৰি।

(৩) বিটকইন সুৰক্ষিতভাৱে সংৰক্ষণ কৰা কঠিন, কিয়নো ৱালেটটো হেক কৰিব পাৰি।

(৪) ব্লকচেইনত এবাৰ ৰেকৰ্ড কৰাৰ পাছত লেনদেন ঘূৰাই আনিব নোৱাৰি।

(৫) যদি আপুনি আপোনাৰ ব্যক্তিগত চাবি হেৰুৱায়, আপুনি সকলো বিটকইন হেৰুৱাব। চাবি আৰু মুদ্ৰাবোৰ ঘূৰাই পোৱাৰ কোনো উপায় নাথাকে।

(৬) বিটকইনৰ মূল্য যথেষ্ট অস্থিৰ।

ভাৰত চৰকাৰে ক্ৰিপ্ট'কাৰেন্সি ব্যৱহাৰ কৰাটো সমৰ্থন নকৰে। বিনিয়োগকাৰীৰ সুৰক্ষা আৰু ব্যৱহাৰিক সমাধান বিচাৰিবলৈ বৰ্তমান তেনেকুৱা কোনো আইন নাই। ২০১৮ চনৰ ৬ এপ্ৰিলত 'ৰিজাৰ্ভ বেংক অব ইণ্ডিয়া'ই এখন জাননী জাৰি কৰি ক্ৰিপ্ট'কাৰেন্সিৰ ওপৰত প্ৰতিবন্ধক আৰোপ কৰে। কিন্তু উচ্চতম ন্যায়ালয়ে ইয়াক অবৈধ বুলি ঘোষণা কৰে। কাৰণ এই প্ৰতিবন্ধকতা, আমাৰ সংবিধানৰ অনুচ্ছেদ ১৯(১)ৰ মতে দেশখনৰ লোকসকলৰ বেপাৰ-বাণিজ্য আৰু জীৱিকাৰ স্বতন্ত্ৰতাৰ উলংঘন। ইয়াৰ পাছত বিত্ত মন্ত্ৰালয়ে 'ক্ৰিপ্ট'কাৰেন্সি নিষিদ্ধ আৰু নিয়ামক ডিজিটেল মুদ্ৰা বিনিময় খচৰা, ২০১৯' (Draft Banning of Cryptocurrency and Regulation of Official Digital Currency Bill, 2019) জাৰি কৰে। এই খচৰা মতে দেশত 'ক্ৰিপ্ট'কাৰেন্সি'ৰ বেপাৰ কৰিলে দহ বছৰ পৰ্যন্ত জে'ল-জৰিমনা/আৰ্থিক দণ্ড হ'ব পাৰে।

বিত্ত মন্ত্ৰালয়ে উচ্চস্তৰীয় আন্তঃমন্ত্ৰালয় কমিটি গঠন কৰে। এই কমিটিয়ে ক্ৰিপ্ট'কাৰেন্সি আৰু চৰকাৰী ডিজিটেল মুদ্ৰা নিয়ামক বিধেয়ক, ২০১৯) (Cryptocurrency and Regulation of Official Digital Currency Bill, 2021) প্ৰণয়ন কৰে। চৰকাৰক ৰাষ্ট্ৰৰ দ্বাৰা প্ৰচলন কৰা কোনো ভাৰ্চুৱেল মুদ্ৰাৰ বাহিৰে দেশত আন ভাৰ্চুৱেল মুদ্ৰাৰ প্ৰচলনৰ ওপৰত প্ৰতিবন্ধকতা আৰোপ কৰাৰ পৰামৰ্শ আৰু ছেণ্ট্ৰেল বেংক সমৰ্থিত ডিজিটেল মুদ্ৰা প্ৰচলন কৰাৰ প্ৰস্তাৱ দিয়ে। সমগ্ৰ বিশ্বত ক্ৰিপ্ট'কাৰেন্সিৰ বৰ্ধিত জনপ্ৰিয়তা আৰু আমেৰিকা, কানাডা, অষ্ট্ৰেলিয়া, জাপান, ব্ৰিটেইন ইত্যাদিৰ দৰে দেশৰ দৃষ্টিভংগীৰ কাৰণে ভাৰতেও ইয়াৰ প্ৰচলনৰ বিষয়ে নতুনকৈ চিন্তা-চৰ্চা কৰিছে।

বিটকইনৰ বহুতো অসুবিধা আছে আৰু সিমান জনপ্ৰিয় নহ'বও পাৰে। কিন্তু বিটকইনৰ (ব্লকচেইন) আঁৰৰ প্ৰযুক্তিৰ বহুতো ক্ষেত্ৰত প্ৰয়োগ আৰু বাণিজ্যৰ বাবে গভীৰ প্ৰভাৱ থাকিব পাৰে। নাছডেক, বেংক অব আমেৰিকা, জে পি মৰ্গান, নিউয়ৰ্ক ষ্টক এক্সচেঞ্জৰ দৰে বিত্তীয় সংগঠনবোৰে এই প্ৰযুক্তি ব্যৱহাৰ কৰাৰ সম্ভাৱনাৰ বিষয়ে পৰ্যালোচনা কৰি আছে।

ঠিকনা ঃ জামুগুৰিহাট, শোণিতপুৰ-৭৮৪১৮০,
ফোন ঃ ৯৮৫৪৪৯২৩২৬
e-mail : rasna.rajkhowa@gmail.com


## 'সংক্ষিপ্ত অসম বিশ্বকোষ'ৰ বাবে অগ্ৰিম পঢ়ুৱৈভুক্তিৰ আহ্বান

অসম সম্পৰ্কীয় প্ৰায় সকলো গুৰুত্বপূৰ্ণ প্ৰসংগ তথা বিষয় সামৰি আমি সঞ্জীৱন প্ৰকাশনৰ উদ্যোগত এখন বহুখণ্ডীয় অসম বিশ্বকোষ প্ৰকাশৰ যো-জা কৰিছো। জ্যেষ্ঠ সাংবাদিক, তথ্যমূলক গ্ৰন্থৰ জনপ্ৰিয় লেখক শান্তনু কৌশিক বৰুৱাৰ সম্পাদনাত আৰু কেইবাজনো জ্যেষ্ঠ লেখকৰ উপৰি প্ৰায় ৩০ জন তৰুণৰ সহযোগত প্ৰকাশ পাবলগীয়া অসম বিষয়ক এই বিশ্বকোষৰ নাম 'সংক্ষিপ্ত অসম বিশ্বকোষ'। উল্লেখযোগ্য, এইখনেই অসম বিষয়ক প্ৰথম বিশ্বকোষ। মুঠ পাঁচটা খণ্ডৰ 'সংক্ষিপ্ত অসম বিশ্বকোষ'ৰ প্ৰথমটো খণ্ড প্ৰকাশৰ বাবে ইতিমধ্যে প্ৰায় সাজু হৈ উঠিছে। প্ৰতিটো খণ্ড পাঁচ শৰো অধিক পৃষ্ঠাৰে মুঠ পাঁচটা খণ্ডৰ 'সংক্ষিপ্ত অসম বিশ্বকোষ'ত ৫০০০-ৰো অধিক অসম বিষয়ক প্ৰৱিষ্টি অসমীয়া বৰ্ণৰ ক্ৰম অনুসৰি অন্তৰ্ভুক্ত হৈছে। লগতে আছে বহুসংখ্যক তালিকা, মূল প্ৰসংগ সম্পৰ্কীয় কেতবোৰ কৌতূহল উদ্দীপক পৰিসংখ্যা, অন্যান্য টোকা আৰু আলোকচিত্ৰ। উল্লেখযোগ্য, 'সংক্ষিপ্ত অসম বিশ্বকোষ'ত প্ৰথমবাৰৰ বাবে সন্নিৱিষ্ট হৈছে অসম বিষয়ক ভালেমান স্বল্পালোচিত আৰু অনালোচিত বিষয়। বিশ্বকোষলানিৰ পঞ্চম, অৰ্থাৎ, শেষৰটো খণ্ডৰ লগত থাকিব এখন বিস্তৃত নিৰ্ঘণ্ট।

এনে এক বৃহৎ প্ৰকল্প ৰূপায়ণৰ বাবে যথেষ্ট পুঁজিৰ প্ৰয়োজন। প্ৰাৰম্ভিক পুঁজি সংগ্ৰহৰ অৰ্থে সেয়েহে আমি অগ্ৰিম পঢ়ুৱৈভুক্তিৰ ব্যৱস্থা কৰিছোঁ। 'সংক্ষিপ্ত অসম বিশ্বকোষ'ৰ খণ্ডটোৰ মূল্য ৮০০ টকা। অগ্ৰিম ভুক্তিৰ পঢ়ুৱৈসকলে ৬০০ টকাতে 'সংক্ষিপ্ত অসম বিশ্বকোষ'ৰ প্ৰথম খণ্ডটো লাভ কৰিব। লগতে পাব সঞ্জীৱন প্ৰকাশনৰ এশ টকা মূল্যৰ উপহাৰ কুপন। এই বিষয়ে সবিশেষ জানিবলৈ ৮৭৫৩৯-২২৫৭৮ নম্বৰত ফোন কৰি অথবা ৯৪৩৫৪-০৪৫৮৮ নম্বৰত ৱাটছএপ যোগে যোগাযোগ কৰিব পাৰিব। আগ্ৰহী পঢ়ুৱৈসকলক এই সুযোগ গ্ৰহণ কৰাৰ লগতে বিশ্বকোষলানি প্ৰকাশত সহায় আগবঢ়াবলৈ প্ৰান্তিক পৰিয়ালৰ সকলোলৈকে সানুনয়ে আহ্বান জনালোঁ।

**প্ৰীতিমা কৌশিক বৰুৱা**
সঞ্জীৱন প্ৰকাশন
বীৰকুছি, নাৰেংগী
গুৱাহাটী ৭৮১ ০২৬
ফোন ঃ ৮৭৫৩৯-২২৫৭৮, ৯৪৩৫৪-০৪৫৮৮